Total No. of Printed Pages—3

**3 SEM TDC ASM M 2**

**2014**

( November )

ASSAMESE

( Major )

Course : 302

( অসমীয়া কবিতাৰ অধ্যয়ন )

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখাঁ : ১×৮=৮

(ক) নেপালৰ ৰাজদৰবাৰৰ গ্ৰন্থাগাৰৰ পৰা ‘চৰ্যাচৰ্যবিনিশ্চয়’ গ্ৰন্থখন কোনে উদ্ধাৰ কৰি আনিছিল ?

(খ) ‘গীতিৰামায়ণ’ কাৰ ৰচনা ?

(গ) বৰছাকুঁৱৰী তোমাৰ পাঠ্য কোনটো কবিতাৰ লগত জড়িত ?

(ঘ) মাধৱ কন্দলিৰ পৃষ্ঠপোষক ৰজাজন কোন আছিল ?

(ঙ) পীতাম্বৰ কবি কোন যুগৰ কাব্যকাৰ ?

(চ) অসমীয়া কাব্য-জগতত 'অগ্নিকবি' বুলি কাক আখ্যা দিয়া হয় ?

(ছ) প্ৰথম অসমীয়া চনেট ৰূপে খ্যাত হেমচন্দ্ৰ গোস্বামীৰ কবিতাটোৰ নাম কি ?

(জ) যাজ্ঞসেনী কাৰ নাম ?

২। (ক) অসমীয়া ৰোমাণ্টিক কবিতাৰ এটি সংক্ষিপ্ত ইতিহাস দাঙি ধৰাঁ। ১(

অথবা

(খ) অসমীয়া লোক-কবিতাৰ ইতিহাস সম্পৰ্কে এটি টোকা যুগুত কৰাঁ।

৩। (ক) অসমীয়া কাব্যৰ ইতিহাসত 'মণিকোঁৱৰৰ গীত' কোন শ্ৰেণীত অন্তৰ্ভুক্ত কৰা হয় ? তোমাৰ পাঠ্য কবিতাখণ্ডৰ বিষয়বস্তুৰ এটি আভাস দাঙি ধৰাঁ। ২+১২=১(

অথবা

(খ) 'কপাহৰ জুনা' শীৰ্ষক গীতটোত প্ৰকাশ পোৱা গ্ৰাম্য-জীৱন সম্পৰ্কে এটি আলোচনা আগবঢ়োৱাঁ। পাঠ্যাংশৰ পৰা উদাহৰণ দাঙি ধৰাঁ। ১(





৪। (ক) 'হনুমানৰ লংকা দৰ্শন' শীৰ্ষক কাব্যখণ্ডত প্ৰকাশ পোৱা প্ৰকৃতি-বৰ্ণনা সম্পৰ্কে এটি টোকা যুগুত কৰাঁ। ১৪

অথবা

(খ) পীতাম্বৰ কবিৰ চমু পৰিচয় দাঙি ধৰি 'চিত্ৰলেখাৰ চিত্ৰপট নিৰ্মাণ' কাব্যখণ্ডৰ কাব্যিক সৌন্দৰ্য আলোচনা কৰাঁ। ৫+৯=১৪

৫। (ক) ৰোমাণ্টিক কবিতাৰ লক্ষণ সম্পৰ্কে চমু আভাস দাঙি ধৰি 'তেজীমলা' কবিতাটোত প্ৰকাশ পোৱা প্ৰকৃতি-চিত্ৰণ, মানৱতাবাদ আৰু অলৌকিক পৰিৱেশৰ এটি আলোচনা যুগুত কৰাঁ। ৫+১০=১৫

অথবা

(খ) মিত্ৰদেৱ মহন্তৰ চমু পৰিচয় আগবঢ়াই 'চিৰ চেনেহী মোৰ ভাষা জননী' গীতটোৰ এটি আলোচনা আগবঢ়োৱাঁ। ৫+১০=১৫

৬। (ক) আধুনিক কবিতাৰ চাৰিটা বৈশিষ্ট্য উল্লেখ কৰি 'ইয়াত নদী আছিল' কবিতাটোৰ মূলভাৱ লিখাঁ। ৪+১০=১৪

অথবা

(খ) নীলমণি ফুকনৰ কাব্য-প্ৰতিভাৰ চমু পৰিচয় দাঙি ধৰি 'মুঠি মুঠিকৈ কাটি তোৰ ঢেকীয়াৰ আঙুলি' কবিতাটোৰ এটি আলোচনা যুগুত কৰাঁ। ৪+১০=১৪

★★★